AVC

# H.S. PRE-FINAL EXAMINATION, 2021-22

# ADVANCE ASSAMESE

**Full Marks : 100**

**Time : Three hours**

১। অতি চমু উত্তৰ দিয়া ঃ 1 × 12 = 12

(ক) গোষ্ঠক শব্দৰ অৰ্থ কি?

(খ) চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ দ্বিতীয় কবিতা পুথিখনৰ নাম উল্লেখ কৰা।

(গ) 'কাঞ্চনজংঘাৰ বুৰঞ্জী' কবিতাটিত শৈলবালা বুলি কাক কোৱা হৈছে?

(ঘ) ধৰ্মগ্লানি মানে কি?

(ঙ) 'A Geography of India' গ্ৰন্থখন কাৰ দ্বাৰা ৰচিত?

(চ) প্ৰথম অসমীয়া আধুনিক উপন্যাসখনৰ নাম লিখা।

(ছ) ৰূপাই কোন?

(জ) হোমেন বৰগোহাঞিদেৱে ৰচনা কৰা একমাত্ৰ কাব্য সংকলনখনৰ নাম কি?

(ঝ) 'বাজীকৰ' নামৰ গল্পপুথিখনৰ গল্পকাৰৰ নাম কি?

(ঞ) 'লাহৰী' উপন্যাসখনৰ ৰচক কোন?

২। চমু উত্তৰ দিয়া ঃ (যিকোনো ১৬ টা) 2 × 16 = 32

(ক) শংকৰদেৱৰ দ্বাৰা ৰচিত 'বৰ্ষা বৰ্ণন' কবিতাত উল্লেখ থকা দুটা উপমাৰ অন্তৰ্নিহিত ভাব লিখা।

(খ) 'মোৰ গাঁও' কবিতাটিত প্ৰকাশ পোৱা কবিৰ অতীত ৰোমন্থনৰ এক সংক্ষিপ্ত বিৱৰণ দিয়া।

(গ) ইউৰোপীয় নৱযুগ আৰু ভাৰতীয় নৱযুগৰ ভিতৰত কেনেধৰণৰ পাৰ্থক্য পৰিলক্ষিত হোৱা দেখা যায়?

(ঘ) 'বিষুবণ' আৰু 'নওৰোজ' শব্দ দুটাৰ অৰ্থ লিখা।

(ঙ) লক্ষ্মীধৰ শৰ্মাৰ দ্বাৰা ৰচিত দুখন গ্ৰন্থৰ নাম লিখা।

*Contd.*

(চ) অসমীয়া সাহিত্যত ৰজনীকান্ত বৰদলৈক কি কি নামেৰে জনা যায়?

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত বাঁহী আলোচনীখন কোন চনত ক'ত প্ৰকাশ পাইছিল?

(জ) উপমা কি?

(ঝ) হোমেন বৰগোহাঞিৰ যিকোনো দুখন উপন্যাসৰ নাম লিখা।

(ঞ) উপন্যাসৰ সংলাপ মানে কি?

(ট) মানুহক প্ৰকৃতিৰ অভিনয় পুতলা বুলি কিয় কোৱা হৈছে?

(ঠ) চুটিগল্পৰ যিকোনো এটা সংজ্ঞা লিখা।

(ড) প্ৰফুল্ল দত্ত গোস্বামীৰ যিকোনো দুখন গ্ৰন্থৰ নাম লিখা।

(ঢ) ডিম্বেশ্বৰ নেওগে জন্ম লাভ কৰা গাঁওখনৰ নাম কি? আৰু পিতৃৰ নাম লিখা।

(ণ) নৱকান্ত বৰুৱাৰ দ্বাৰা ৰচিত দুখন শিশু উপযোগী গ্ৰন্থৰ নাম লিখা।

(ত) অনুপ্ৰাস অলংকাৰৰ এটি উদাহৰণ লিখা।

(থ) শংকৰদেৱৰ দ্বাৰা ৰচিত দুখন কাব্যৰ নাম লিখা।

(দ) কঠিন শব্দৰ অৰ্থ লিখা ঃ তুষাৰ, শৈলবালা।

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ (যিকোনো ৯ টা) $4 \times 9 = 36$

(ক) চুটিগল্পৰ আৰম্ভণি আৰু পৰিসমাপ্তি।

(খ) চুটিগল্প আৰু সাধুকথাৰ পাৰ্থক্য।

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ চমু পৰিচয় লিখা।

(ঘ) 'মোৰ গাঁও' কবিতাটিৰ কবি কোন? তেওঁৰ ৰচনাৰাজিৰ চমু আভাস দিয়া।

(ঙ) ঔপন্যাসিকৰ জীৱন দৰ্শন।

(চ) 'মাধৱদেৱৰ ঋণ অসমীয়া জাতিয়ে কেতিয়াও পৰিশোধ কৰিব নোৱাৰে' — কথাষাৰৰ তাৎপৰ্য্য লিখা।

(ছ) মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।— ব্যাখ্যা কৰা।

(জ) বলোৰাম বুঢ়াৰ হাতীটোৰ নাম কি? শেষত তাক কাৰ হাতত আৰু কিয় অৰ্পণ কৰা হৈছিল লিখা।



*Contd.*

(ঝ) 'বৰ্ষা বৰ্ণন' পাঠটি ক'ৰপৰা আহৰণ কৰা হৈছে? বৰ্ষা ঋতুৰ সৌন্দৰ্য্যই কৃষ্ণৰ লগতে গোপসকলক কিদৰে বিমোহিত কৰিছিল পাঠটিৰ আধাৰত লিখা।

(ঞ) তলত দিয়া যিকোনো দুবিধ অলংকাৰৰ সূত্ৰ লিখি উদাহৰণ দিয়া ঃ

উপমা, শ্লেষ, অপ্ৰস্তুত প্ৰশংসা।

৪। যিকোনো ৪ টা প্ৰশ্নৰ উত্তৰ দিয়া ঃ $5 \times 4 = 20$

(ক) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

পঞ্চবৰ্ণে ৰঞ্জিত নিৰ্গুণ ইন্দ্ৰধনু।
গুণৱন্ত মেঘত প্ৰকাশে পুন পুন।।
যেন তিনি গুণময় জগত যতেক।
নিৰ্গুণ পুৰুষ তাত প্ৰকাশৈ প্ৰত্যেক।।

(খ) 'মানৱ বন্দনা' কবিতাটিৰ অন্তৰ্নিহিত সাৰমৰ্মৰ আভাস দিয়া।

(গ) 'মোৰ গাঁও' কবিতাটিত কবিয়ে কমাৰফদিয়া গাঁৱৰ কেনেধৰণৰ পৰিৱৰ্তন হোৱা কথা উল্লেখ কৰিছে।

(ঘ) 'কাঞ্চনজংঘাৰ বুৰঞ্জী' কবিতাটিত প্ৰাচীন আৰু নতুন ভাৰতৰ ছবি কবিয়ে কেনেদৰে দাঙি ধৰিছে?

(ঙ) বিহুৰ উৎপত্তি আৰু বিহু নৃত্য সম্বন্ধে ভিন্নজনে আগবঢ়োৱা মন্তব্যসমূহ চমুকৈ আলোচনা কৰা।

(চ) নদীকেন্দ্ৰিক উপন্যাস হিচাপে নৱকান্ত বৰুৱাৰ কপিলীপৰীয়া সাধুৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(ছ) হাতী গল্পটোত মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ কেনেদৰে অংকিত হৈছে তাক বিশ্লেষণ কৰি দেখুওৱা।

(জ) সাহিত্যত অলংকাৰৰ প্ৰয়োজন কি? শব্দালংকাৰ আৰু অৰ্থালংকাৰ কাক বোলে? উদাহৰণসহ বুজাই লিখা।

☆☆☆